জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৬৭/২০২০

<u>ইউনিফাইড কমাণ্ডৰ ষ্ট্ৰেটেজি গ্ৰুপৰ বৈঠকত অধ্যক্ষতা কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# আইন-শৃংখলাজনিত পৰিস্থিতি মোকাবিলা কৰাৰ দিশত আচৰণ বিধি বজাই ৰাখিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত ইউনিফাইড কমাণ্ড ষ্ট্ৰাকশ্বাৰৰ ষ্ট্ৰেটেজি গ্ৰুপৰ উদ্বোধনী বৈঠকত অধ্যক্ষতা কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ শান্তিপূৰ্ণ পৰিৱেশ বজাই ৰখাৰ ক্ষেত্ৰত ভাৰতীয় সেনা বাহিনী আৰু অৰ্দ্ধসামৰিক বাহিনীসমূহে ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট  সংস্থাসমূহৰ সৈতে ইউনিফাইড কমাণ্ড ব্যৱস্থাৰ অধীনত সক্ৰিয় সহযোগৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ভৱিষ্যতেও সমাজৰ পৰা হিংসা সম্পূৰ্ণ ৰূপে নিৰ্মূলৰ বাবে সন্ত্ৰাসবাদৰ সৈতে মোকাবিলা কৰাৰ দিশত থকা ব্যাপক অভিজ্ঞতা উপযুক্ত ৰূপত কামত খটুৱাই কমাণ্ডে এই দিশত ফলপ্ৰসূ আৰু জনমুখী ব্যৱস্থা এটা গঢ়ি তোলৰ ওপৰত গুৰুত্ব আৰোপ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে সন্ত্ৰাসবাদৰ বিপৰীতে চলোৱা অভিযানৰ সময়ত কোনো নিৰীহ লোক যাতে হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া নহয়, সেই কথাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰি সামৰিক বাহিনী, অৰ্দ্ধসামৰিক বাহিনী আৰু আৰক্ষীয়ে এই ক্ষেত্ৰত নিজৰ আচৰণবিধি বজাই ৰখাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

বৃহৎ সংখ্যক সন্ত্ৰাবাদীয়ে অস্ত্ৰ সম্বৰণ কৰি মূল সুঁতিলৈ উভতি অহাৰ দিশত ইউনিফাইড কমাণ্ডে লাভ কৰা সফলতাৰ বাবে মুখ্যমন্ত্ৰীয়ে অভিনন্দন জ্ঞাপন কৰি কয় যে ইয়াৰ ফলশ্ৰুতিত আইন বলবৎকাৰী সংস্থাসমূহৰ দায়বদ্ধতা অধিক বৃদ্ধি পাইছে। এই বিপথগামী যুৱক-যুৱতীসকলক সমাজৰ মূল সুঁতিৰ সৈতে চামিলকৰণৰ দিশত আইন বলবৎকাৰী সংস্থাসমূহে নিজৰ ভূমিকা পালন কৰিব লাগিব। এই পথভ্ৰষ্ট যুৱক-যুৱতীসকলে সংঘটিত কৰা লঘু অপৰাধীৰ ক্ষেত্ৰত অনুকম্পামূলক দৃষ্টিভংগীৰে চাই তেওঁলোকক হিংসাৰ পথ পৰিহাৰ কৰি ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়াত অৰ্থবহ অৰিহণা যোগোৱাৰ দিশত আইন বলবৎকাৰী সংস্থাসমূহে অগ্ৰণী ভূমিকা পালন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ৰাষ্ট্ৰ তথা  ইয়াৰ জনসাধাৰণক সুৰক্ষিত কৰাৰ দিশত সেনাবাহিনীয়ে প্ৰদান কৰি থকা অনৱদ্য সেৱাৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ গতিশীল তথা বলিষ্ঠ নেতৃত্বত ভাৰতে সামৰিক শক্তি বৃদ্ধি কৰাৰ লগতে সকলো দিশতে শক্তিশালী হৈছে আৰু সামৰিক বাহিনীসমূহেও দেশৰ শত্ৰুৰ দ্বাৰা ৰচনা কৰা সকলো কূট-কৌশল মষিমূৰ কৰাৰ দিশত প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াই আহিছে। এই অঞ্চলটোত সন্ত্ৰাসবাদৰ লগতে ড্ৰাগছৰ প্ৰত্যাহ্বান আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই সকলোবোৰ প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ দিশত ইউনিফাইড কমাণ্ডে সফলতা লাভ কৰিব বুলি আশা

প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক অষ্টলক্ষ্মী হিচাপে গঢ়ি তোলাৰ যি সপোন দিঠকত পৰিণত কৰাৰ দিশত অঞ্চলটোত শান্তিপূৰ্ণ পৰিৱেশ বজাই ৰখাটো অত্যন্ত জৰুৰী বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে সেনা বাহিনীক ৰাজ্যখনৰ যুৱকসকলক সামৰিক বাহিনীসমূহত যোগদান কৰি দেশলৈ সেৱা আগবঢ়োৱাৰ দিশত উৎসাহিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

আজিৰ এই অনুষ্ঠানত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, ভাৰতীয় সেনা বাহিনীৰ ৩ কৰ্পছৰ জি অ' চি লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতা, ৪ কৰ্পছৰ জি অ' চি লেফটেনেণ্ট জেনেৰেল শান্তনু দয়ালৰ উপৰি আৰক্ষী তথা চোৰাংচোৱা বাহিনীৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**স্বাক্ষৰ / বঃভাঃ / পুঃডেঃ**
**৩/১০/২০২০**